# 3 (Sem–4/CBCS) ASM CC

## 2 0 2 4

## ASSAMESE

## ( Modern Indian Language )

Paper : ASM–CC–4016

**( Adhunik Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) 'Poetry is Criticism of Life'—কোনে এনেদৰে কবিতাৰ সংজ্ঞা দাঙি ধৰিছে?

(খ) 'সুগন্ধি পখিলা' পুথিখনৰ বচকজনৰ নাম কি?

(গ) 'পথাৰ কবি' বুলি কোনজন কবিক কোৱা হয়?

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা-পুথিখনৰ নাম কি?

(ঙ) 'আৱাহন' কাকতৰ প্ৰথম সম্পাদকজনৰ নাম কি?

(চ) সাহিত্য অকাডেমী বঁটা লাভ কৰা ভবেন্দ্ৰনাথ শইকীয়াৰ পুথিখনৰ নাম কি?

(ছ) ‘কংগ্ৰেছৰ কাঁচিয়লি ৰ’দত’ গ্ৰন্থখনৰ ৰচক কোন?

(জ) মণিৰাম দেৱানক কেতিয়া ফাঁচি দিয়া হৈছিল?

(ঝ) ‘লভিতা’ নাটখনত থকা গাঁওবুঢ়াজনৰ নাম কি?

(ঞ) সৌৰভ কুমাৰ চলিহাৰ প্ৰকৃত নাম কি?

২। অতি চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) আধুনিক কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

(খ) হীৰেণ ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত দুখন শিশু-সাহিত্যৰ পুথিৰ নাম লিখা।

(গ) ‘ৰামধেনু যুগ’ৰ দুজন গল্পকাৰৰ নাম লিখা।

(ঘ) ডিব্ৰুগড়ৰ নেওগ অসম সাহিত্য সভাৰ কিমান চনত, ক’ত অনুষ্ঠিত সভাত সভাপতি আছিল?

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত দুখন কাল্পনিক নাটৰ নাম লিখা।

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) আধুনিক কবিতাৰ বিষয়বস্তুৰ পৰিসৰৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ৰাম গগৈৰ ‘পথাৰ’ কবিতাৰ ভাৱাৰ্থ চমুকৈ আলোচনা কৰা।

(গ) ‘আৱাহন’ যুগৰ চুটিগল্প সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।





(ঘ) ‘বাণপ্ৰস্থ’ গল্পৰ জৰিয়তে সমাজৰ দৰিদ্ৰতাৰ প্ৰতিক চাৰুৰ চৰিত্ৰৰ চমু আলোচনা কৰা।

(ঙ) বনঘোষা আৰু বনগীত ক’ত, কেনেকৈ গোৱা হয়, আলোচনা কৰা।

(চ) ‘লভিতা’ নাটকৰ মৌজাদাৰণী চৰিত্ৰটোৰ এটি চমু আলোচনা কৰা।

৪। উত্তৰ লিখা (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) আধুনিক কবিতা বুলিলে কি বুজা? আধুনিক কবিতা হিচাপে কবি হীৰেণ ভট্টাচাৰ্যৰ ‘শোভাযাত্ৰাত নিহতজনৰ কবিতা’টিৰ পৰ্যালোচনা কৰা।

(খ) কবি হিচাপে নিৰ্মলপ্ৰভা বৰদলৈ আৰু তেওঁৰ ‘মৰ্মান্তিক’ কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(গ) চুটিগল্প বুলিলে কি বুজা? অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশৰ ইতিহাসৰ বিষয়ে এটি চমু প্ৰবন্ধ লিখা।

(ঘ) ভবেন্দ্ৰনাথ শইকীয়াৰ ‘বাণপ্ৰস্থ’ গল্পৰ চাৰু, তৰু আৰু পুতলীৰ মাজেৰে সমাজৰ নিষ্পেষিত শ্ৰেণীৰ চৰিত্ৰ কিদৰে তুলি ধৰিছে, আলোচনা কৰা।

(ঙ) ‘দেওঁপাহাৰৰ ভগ্নস্তূপ’ নামৰ গল্পটিৰ মাজেৰে গল্পকাৰে দেওঁপাহাৰত অংকিত চৰিত্ৰসমূহৰ জৰিয়তে সমাজৰ কোনবোৰ দিশ দাঙি ধৰিব বিচাৰিছে, আলোচনা কৰা।

(চ) মণিৰাম দেৱানৰ ফাঁচী আৰু সেই সময়ত অসমৰ জনগণৰ মানসিক অৱস্থা কেনে হৈছিল, আলোচনা কৰা।

(ছ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটখন কোন শ্ৰেণীৰ নাটক? 'লভিতা' নাটখনৰ মাজেৰে সেই সময়ৰ গ্ৰাম্য সমাজৰ স্বৰূপ কিদৰে দাঙি ধৰিছে, আলোচনা কৰা।

(জ) এগৰাকী সাধাৰণ গাঁৱৰ জীয়ৰী লভিতাৰ জীৱন-সংগ্ৰাম আৰু তেওঁৰ স্বদেশ প্ৰেমৰ ছবি 'লভিতা' নাটখনৰ মাজেৰে কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

★★★